**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ উত্তৰ বহীৰ ফটোকপি অনলাইনযোগে আবেদন কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। চি-টেট পৰীক্ষা ১ ডিচেম্বৰৰ পৰিৱৰ্তে ১৫ ডিচেম্বৰত হ'ব বুলি কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ ঘোষণা।

৩। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ধুবুৰীত কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ।

৪। ৰাজ্য চৰকাৰে গঠন কৰিবলগীয়া ৭৮ খন উপ-জিলাৰ প্ৰথম পৰ্যায়ৰ কাম-কাজ ২ অক্টোবৰত আৰম্ভ হ'ব বুলি ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ প্ৰকাশ। **আৰু**

৫। ভাৰত আৰু বাংলাদেশৰ মাজত চলি থকা প্ৰথমখন টেষ্ট শৃংখলাৰ আজি চতুৰ্থ দিনা বাংলাদেশে দ্বিতীয় ইনিংছত ১৫৮ ৰানৰ পৰা খেল আৰম্ভ।

oooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। অনলাইনযোগে আবেদন কৰি লিখিত পৰীক্ষাৰ OMR শ্বিটৰ ফটোকপি প্ৰাৰ্থীয়ে ছেবাৰ পৰা লাভ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে এই প্ৰক্ৰিয়া ২৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হ'ব বুলি উল্লেখ কৰি পৰীক্ষা স্বচ্ছ, নিকা আৰু ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰিবলৈ এইদৰে কয়-

**-ভইচ কাষ্ট- (চি এম)**

oooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰৰ পৰিৱৰ্তে ১৫ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। প্ৰশাসনিক কাৰণত ইতিমধ্যে ঘোষণা কৰা চি-টেটৰ দিন সলনি কৰাৰ কথা সদৰি কৰে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ১৫ ডিচেম্বৰ দেওবাৰে দেশজুৰি চি-টেট অনুষ্ঠিত কৰা হ'ব। পূৰ্বে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰত দেশৰ মুঠ ১৩৬ খন চহৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা চি-টেটৰ অনলাইন প্ৰক্ৰিয়াৰ আবেদন অহা ১৬ অক্টোবৰত অন্ত পৰিব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে অসম টেট অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত লোৱাৰ পৰিপ্ৰেক্ষিতত চি-টেটৰ গুৰুত্ব যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে।

oooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি ধুবুৰীত কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশ ল'ব। ৰাজ্যপালগৰাকীৰ আগমনক লৈ ইতিমধ্যে ধুবুৰী জিলা প্ৰশাসন সাজু হৈছে। ধুবুৰী জিলা ভ্ৰমণৰ সময়ছোৱাত

ৰাজ্যপাল শ্ৰী আচাৰ্যই অংশগ্ৰহণ কৰিবলগীয়া কাৰ্যসূচী সন্দৰ্ভত সবিশেষ জনাব আমাৰ ধুবুৰীৰ সংবাদদাতা প্ৰদীপ সাহাই ঃ

**-ভইচ কাষ্ট-**

০০০০০০

ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে নতুনকৈ গঠন কৰা উপ-জিলাসমূহৰ ভাৰপ্ৰাপ্ত অতিৰিক্ত জিলা আয়ুক্ত আৰু সহকাৰী আয়ুক্তসকলৰ সামৰ্থ বৃদ্ধিৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিষয়াসকলক জনসাধাৰণৰ প্ৰতি দায়িত্বশীল হৈ কাম কৰি সু-শাসন ব্যৱস্থা প্ৰতিষ্ঠাৰ বাবে আহ্বান জনায়। প্ৰশাসনিক সূচলতা আৰু কাৰ্যদক্ষতা বৃদ্ধিৰ লগতে নাগৰিকমুখী সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গঠন কৰিবলগীয়া ৭৮ খন উপ-জিলাৰ ভিতৰত প্ৰথম পৰ্যায়ত ৩৯ খন উপ-জিলাৰ কামকাজ অহা ২ অক্টোবৰত আৰম্ভ হ'ব। এই উপ-জিলাসমূহৰ ১০৭ গৰাকী বিষয়াৰ বাবে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ১৫ দিনীয়াকৈ আয়োজন কৰা প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। মন্ত্ৰী দাসে কালি সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰথম পৰ্যায়ত কাৰ্যক্ষম হ'বলগীয়া উপ-জিলাসমূহৰ ভাৰপ্ৰাপ্ত অতিৰিক্ত আয়ুক্ত আৰু সহকাৰী আয়ুক্তসকলক শুভেচ্ছা জনোৱাৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব নেতৃত্বাধীন ৰাজ্য চৰকাৰে প্ৰশাসনৰ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ বাবে গ্ৰহণ কৰা প্ৰয়াসক ফলপ্ৰসূ কৰাৰ বাবে কাম কৰি যাবলৈ আহ্বান জনায়। বৰ্তমান চৰকাৰৰ কাৰ্যকালত ৰাজ্যৰ উন্নয়নে বিশেষ মাত্ৰা লাভ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নাগৰিকৰ সৈতে সঘনাই মত বিনিময় কৰি তেওঁলোকৰ অভাৱ অভিযোগসমূহক গুৰুত্ব দিবলৈ আহ্বান জনায়।

০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে মহিলা নেতৃত্বাধীন বিকাশৰ লক্ষ্য লৈছে। ইয়াৰ অধীনত মহিলাৰ দ্বাৰা ক্ৰয় কৰা সম্পত্তিৰ বাবে ষ্টাম্প শুল্ক হ্ৰাস কৰিবলৈ ৰাজ্যসমূহক উৎসাহিত কৰা হৈছে। তদুপৰি হোষ্টেল আৰু মহিলা নিৰ্ধাৰিত দক্ষতা কাৰ্যসূচীৰজৰিয়তে মহিলাৰ কৰ্মশক্তিৰ অংশগ্ৰহণত উদগণি যোগোৱা হৈছে। পৰ্যটন খণ্ডত মহিলাসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ পৰ্যটন দিদি আৰু পৰ্যটন মিত্ৰ আঁচনি লোৱা হৈছে। তদুপৰি গ্ৰাম্য জীৱিকাৰ সুবিধা বৃদ্ধি কৰিবলৈ ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা মিছনৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটত ১০ কোটি মহিলাক সংগঠিত কৰা হৈছে। একেদৰে নাৰী শক্তিক উপকৃত কৰা আঁচনিৰ বাবে এই বছৰৰ  বাজেটত ৩ লাখ কোটি টকা আৱণ্টন দিয়া হৈছে। এতিয়ালৈকে ১১ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা প্ৰমাণপত্ৰ লাভ কৰিছে। আনহাতে, ২ লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্যাক সহায় কৰিবলৈ ৫ হাজাৰ কোটি টকা মূল্যৰ বেংকৰ ঋণ মুকলি কৰা হৈছে। মহিলা উদ্যোগী সৱলীকৰণৰ বাবে মুদ্ৰা ঋণৰ সীমা ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।  একেদৰে মহিলাৰ বাবে গৃহৰ মালিকীস্বত্ত আৰু মৰ্যাদা নিশ্চিত কৰিবলৈ ৩ কোটি অতিৰিক্ত ঘৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত পৰিকল্পনা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি কয় যে, শিক্ষা, উদ্যমিতা, কৃষি প্ৰযুক্তি আৰু অন্য পদক্ষেপৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ মহিলাসকলৰ সৱলীকৰণৰ বাবে দায়বদ্ধ।

আকাশবাণী দৃষ্টিপাত অনুষ্ঠানত কালি **মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত অংশ লৈ অসম বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী আৰু সাংবাদিক

সঞ্জীৱ কলিতাই কয় যে, বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ এশটা দিনত দেশৰ পথ, পৰিবহন, কৃষক ৰাইজৰ উন্নয়ন, যুৱ প্ৰজন্ম, মহিলা, অনুসূচীত জাতি-জনজাতিৰ উন্নয়নৰ উপৰি ৩ খন নতুন ফৌজদাৰী আইন কাৰ্যকৰীকৰণৰ দ্বাৰা যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা হৈছে। তদুপৰি অসমৰ জাগীৰোডত ছেমিকনডাক্টৰ প্ৰকল্পৰ দ্বাৰা ৰাজ্যখনৰ লগতে উত্তৰ পূৰ্বাঞ্চলে অহা ১০ বছৰত উদ্যোগিক ক্ষেত্ৰত অভূতপূৰ্ব ৰূপান্তৰ প্ৰত্যক্ষ কৰিব বুলি উল্লেখ কৰে।

০০০০০০

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি  বড়োলেণ্ডৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়ৰ পাঠদানৰ সময়সূচী আজিৰে পৰা সালসলনিৰ নিৰ্দেশনা জাৰি কৰিছে।  এই নিৰ্দেশনা অনুসৰি প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময়সূচী পুৱা চাৰে সাত বজাৰ পৰা ১১ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময়সূচী চাৰে সাত বজাৰ পৰা চাৰে ১১ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময়সূচী পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ কৰাৰ নিৰ্দেশনা জাৰি কৰা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে পুৱাৰ প্ৰাৰ্থনা সভা শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয় প্ৰাংগণত উপযুক্ত খোৰাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈও নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০০০

চৰাইদেউ জিলাত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। পৰীক্ষা স্বচ্ছ, নিকা, শান্তিপূৰ্ণ আৰু ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰাৰ লগতে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতিমূলক পদক্ষেপ গ্ৰহণ কৰিছে। অতিৰিক্ত জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ পৰীক্ষা পৰিচালনা কৰা কেইবাজনো বিষয়া উপস্থিত থাকে। নিয়োজিত বিষয়াসকলক নিজ নিজ দায়িত্ব সম্পূৰ্ণ নিষ্ঠাৰে পালন কৰিবলৈ অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

০০০০০০

যোৰহাটৰ নতুন আয়ুক্তৰূপে কাৰ্যভাৰ গ্ৰহণ কৰা জয় শিৱানীৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি এখন কৰ্মচাৰী সভা অনুষ্ঠিত কৰা হয়। জিলাখনত চলি থকা উন্নয়নমূলক কাম-কাজসমূহৰ পৰ্যালোচনা কৰাৰ লগতে জিলাখনৰ বিভিন্ন দিশৰ বিষয়ে নৱনিযুক্ত আয়ুক্তক অৱগত কৰা হয়। সভাখনত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ লগতে জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০

মাজুলী জিলা সুৰক্ষা কাৰ্যালয়ৰ উদ্যোগত কালি গড়মূৰৰ বংশীগোপাল নাট্য মন্দিৰত শিশু সুৰক্ষা বিষয় সম্পৰ্কত জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাখনত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৭১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকি প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি আত্মসমৰ্পণকাৰী এন ডি এফ বিৰ সদস্য সকলৰ সৈতে লোকসেৱা ভৱনৰ সভাকক্ষত এখন বৈঠকত মিলিত হয়। এই বৈঠকত সংস্থাপন আৰু অৰ্থনৈতিক বিকাশৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰা হয়। বৈঠকত উগ্ৰপন্থী সংগঠনটোৰ আত্মসমৰ্পণকাৰী সদস্যসকলক স্ব-নিৰ্ভৰশীল কৰি তোলাৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহ কাৰ্যকৰী কৰাৰ বিষয়েও আলোচনা কৰা হয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা ভাৰত বাংলাদেশৰ মাজৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত জয় নিশ্চিত কৰিবলৈ আজি খেলৰ চতুৰ্থ দিনা ভাৰতক আৰু ৬টা উইকেটৰ প্ৰয়োজন। আজি পুৱা চাৰে ন বজাত দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ হ'ব।

কালি খেলৰ তৃতীয় দিনাৰ খেল সমাপ্ত হোৱাৰ সময়লৈকে বাংলাদেশে ৩৭ অভাৰ ২টা বলত ৪টা উইকেট হেৰুৱাই ১৫৮ ৰান সংগ্ৰহ কৰিছিল।

বাংলাদেশৰ নাজমুল হোছেইন শান্তোৱে ৫১ ৰাণ আৰু ছাকিব আল হাছানে ৫ ৰাণ কৰি খেলি আছিল। কালি ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে ৩টা উইকেট দখল কৰাৰ বিপৰীতে যশপিট বুমৰাহে এটা উইকেট লাভ কৰে।

উল্লেখ্য খেলখনত ভাৰতে বাংলাদেশক জয়ৰ বাবে ৫১৫ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে দ্বিতীয় ইনিংছত ৪ উইকেট হেৰুৱাই ২৮৭ ৰান সংগ্ৰহ কৰাৰ পিছত কালি ইনিংছ সমাপ্তি ঘোষণা কৰিছিল।

oooooo

উৰ্ধমুখী তাপমাত্ৰাই ৰাজ্যৰ স্বাভাৱিক জীৱন যাত্ৰাত প্ৰভাৱ পেলোৱাৰ বাতৰি অসমীয়া প্ৰতিনিদিন কাকতে উৎকট গৰমে দহিছে ৰাজ্য ঃ লখিমপুৰত হিটষ্ট্ৰ'ক মহিলাসহ তিনিগৰাকীৰ মৃত্যু শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

আম আদমী পাৰ্টীৰ নেত্ৰী আতিশীয়ে দিল্লীৰ মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰাৰ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে স্থান দিছে।

মণিপুৰত ম্যানমাৰৰ পৰা অনুপ্ৰৱেশ কৰা উগ্ৰপন্থীয়ে ভয়াবহ আক্ৰমণ চলাব পাৰে বুলি চোৰাংচোৱাৰ তথ্য লাভ কৰাৰ পাছত সেনা সতৰ্ক হোৱাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতখনে মুখ্য বাতৰিত স্থান দিছে।

কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ সন্মিলনত অংশ ল'বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আমেৰিকা যুক্তৰাষ্ট্ৰত উপস্থিত হোৱাৰ বাতৰিক দ্যা ছেণ্টিনেল আৰু দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে স্থান দিছে।

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক আধাৰ নম্বৰৰ দৰে ১২ টা সংখ্যাৰ অট'মেটেড পাৰমানেণ্ট একাডেমিক একাউণ্ট ৰেজিষ্ট্ৰি শীৰ্ষক এটা আই ডি প্ৰদান কৰাৰ বাতৰি অসমীয়া খবৰ কাকতে **ৰাজ্যৰ চৰকাৰী-ব্যক্তিগত সকলো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব ১২ অংকযুক্ত পৰিচয়পত্ৰ ঃ স্কুলীয়া শিক্ষাৰ্থীৰ বাবে আপাৰ আই ডি** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

অনলাইন ট্ৰেডিং প্ৰবঞ্চনাৰ সৈতে জড়িত ডি বি ষ্টকৰ মালিক দিপাংকৰ বৰ্মনৰ আত্মগোপনৰ পৰিপ্ৰেক্ষিতত তেওঁৰ পিতৃ-মাতৃ আৰু চাৰ্টাৰ্ড একাউণ্টটেন্তক পাণবজাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বুলি এটা বাতৰি আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

অসম অলিম্পিক সন্থাৰ আজি হ'বলগীয়া নিৰ্বাচনৰ সংক্ৰান্তীয় বাতৰি দৈনিক অগ্ৰদূত কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ধিঙৰ লাঠিয়ামৰিত সংঘটিত দলবদ্ধ ধৰ্ষণৰ সৈতে জড়িত দুজন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত